অধ্যায় ১৫ ঃ ৰামধেনু যুগৰ সাহিত্য — ২

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ ৰামধেনু যুগৰ সাহিত্য

১৫.৩.১ নাটক

১৫.৩.২ চুটিগল্প

১৫.৩.৩ অন্যান্য সাহিত্য

১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৫ অধিক জানিবলৈ

১৫.৬ অগ্রগতিৰ খতিয়ান

১৫.৭ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰামধেনু যুগৰ অসমীয়া নাটক সম্পর্কে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব
- ৰামধেনু যুগৰ অসমীয়া চুটি গল্প সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- ৰামধেনু যুগৰ অন্যান্য সাহিত্যৰাজি সম্পর্কে আভাস লাভ কৰিব।

১৫.২ পৰিচয়

আগৰ অধ্যায়টোত আপুনি ৰামধেনু যুগৰ পটভূমি সম্পর্কে অধ্যয়ন কৰাৰ লগতে সেই সময়ছোৱাত ৰচিত অসমীয়া কবিতা আৰু উপন্যাস সম্পর্কে বহলাই অধ্যয়ন কৰিলে। অসমীয়া সাহিত্যৰ এই দুয়োটা শ্রেণীলৈ (genre) কেনেদৰে নতুনত্বৰ বতৰা আহিল সেই বিষয়েও অৱগত হ'ল। এইটো অধ্যায়ত আপুনি ৰামধেনু যুগৰে আন কেইটামান সাহিত্যৰ শ্রেণী — নাটক, চুটিগল্প আৰু অন্যান্য সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিব।

এইটো অধ্যায় অধ্যয়ন কৰি আপুনি অসমীয়া সাহিত্যৰ ৰামধেনু যুগটোৰ সম্পূর্ণ পৰিচিতি লাভ কৰিব। অধ্যায়টোৰ অধ্যয়নে আপোনাক অসমীয়া সাহিত্যৰ ধাৰা সম্পর্কেও অৱগত কৰাব।

১৫.৩ ৰামধেনু যুগৰ সাহিত্য

ৰামধেনু যুগৰ পটভূমি আৰু এই যুগটোৰ সাহিত্যৰাজিৰ বৈশিষ্ট্য সম্পর্কে ইতিমধ্যে

আপুনি অৱগত হ'ল। এইটো যুগৰ — কবিতা আৰু উপন্যাসৰ বিষয়েও অধ্যয়ন কৰিলে। এতিয়া এইটো অধ্যায়ত আমি নাটক, চুটি গল্প আৰু এই সময়ছোৱাত ৰচিত অন্যান্য সাহিত্যৰাজিৰ বিষয়ে তলত বহলাই আলোচনা কৰিম।

১৫.৩.১ নাটক

বিংশ শতিকাৰ চতুর্থ দশকৰ প্ৰথম কেইবছৰ অসমীয়া নাটকৰ ক্ষেত্ৰখনত বৰ বিশেষ পৰিৱর্তন হোৱা নাছিল যদিও জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত অসমীয়া নাটকে এক বিশেষ মাত্ৰা লাভ কৰিলে। বিশেষকৈ বাস্তৱবাদী চিন্তাচর্চাৰে, অপূর্ব গীতিময়তাৰে অসমীয়া সামাজিক নাটকৰ ক্ষেত্ৰখনলৈ তেওঁ নতুন ধল সুমুৱাই আনিলে। ভাৰতবর্ষই স্বাধীনতা লাভ কৰা পাছৰ বছৰটোতেই প্ৰকাশ পোৱা জ্যোতিপ্ৰসাদ আগৰৱালাৰ *লভিতা* (১৯৪৮), নগাঁও নাট্য-সমিতিৰ *পিয়লি ফুকন* (১৯৪৮) নাটক দুখনে অসমীয়া নাটকৰ ক্ষেত্ৰখনক উদ্বেলিত কৰে। শৈলেন ভৰালীৰ ভাষাৰে "স্বাধীনতা লাভৰ ঠিক পাছতেই প্ৰকাশিত কেইবাখনো নাটকৰ কাহিনী-নির্মাণ, চৰিত্ৰ-সৃষ্টি আৰু উপস্থাপন-পদ্ধতিত গতানুগতিকতা অতিক্ৰম কৰাৰ চেষ্টা কৰা হ'ল। ইয়াৰে দুটা ভাল উদাহৰণ নগাঁও নাট্য-সমিতিৰ *পিয়লি ফুকন* (১৯৪৮) আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ *লভিতা* (১৯৪৮)।" এই সময়ছোৱাৰ আন এখন উল্লেখযোগ্য নাট হ'ল সাৰদাকান্ত বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচার্যই লিখি উলিওৱা *মগৰীবৰ আজান* (১৯৪৮)।

স্বৰাজোত্তৰ কালত দেশত সংঘটিত পৰিৱর্তিত ৰাজনৈতিক আৰু সামাজিক পটভূমিত নাটকৰ বিষয়বস্তু আৰু ৰীতিৰ আমূল পৰিৱর্তন ঘটিল। নাট্যকাৰসকলৰ দৃষ্টিভংগীৰ পৰিৱর্তন হ'ল, তেওঁলোক সামাজিক বাস্তৱতাৰ প্ৰতি অধিক আগ্ৰহী হৈ উঠিল। মন কৰিব যে দেশে স্বাধীনতা লাভ কৰাৰ আগলৈকে পৌৰাণিক আৰু ঐতিহাসিক নাটকেই অসমৰ মঞ্চ দখল কৰিছিল। স্বৰাজোত্তৰ কালত এই ধাৰা দুটা ক্ৰমান্বয়ে শীর্ণ হৈ আহিল আৰু তাৰ পৰিৱর্তে সামাজিক নাটকে অধিক প্ৰাধান্য লাভ কৰিবলৈ ধৰিলে। অৱশ্যে এটা কথা ঠিক যে এই কালছোৱাতো কেইবাখনো উল্লেখযোগ্য পৌৰাণিক আৰু ঐতিহাসিক নাটক ৰচিত হৈছে। অৱশ্যে এই সময়ত ৰচিত ঐতিহাসিক নাটকত নতুন সামাজিক দৃষ্টিভঙ্গীৰ পোহৰ পৰিল। শৈলেন ভৰালীৰ ভাষাৰে ক'ব পাৰি— "স্বাধীনতাৰ পূর্বৰ সকলো বাধা-নিষেধ আঁতৰ কৰি দিয়াত নাট্যকাৰসকলে ঐতিহাসিক চৰিত্ৰসমূহক অধিক স্পষ্ট আৰু বলিষ্ঠ ৰূপ দাঙি ধৰাৰ সুবিধা পালে।" ইয়াৰ লগতে বুৰঞ্জীমূলক নাটককো নতুন সামাজিক চিন্তা-চেতনা জগাই তোলাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ যত্ন কৰা পৰিলক্ষিত হয়। এক অর্থত ন-ৰূপেৰে পৌৰাণিক আৰু ঐতিহাসিক নাটকৰ ধাৰাটো উদ্ভাসিত হৈ উঠে।

ৰামধেনু যুগৰ প্ৰাৰম্ভিক দশকটিত কেইবাখনো পৌৰাণিক নাট ৰচিত হৈছিল; যথা— মুক্তিনাথ বৰদলৈৰ *ভক্ত প্ৰহ্লাদ* (১৯৪৯), সুৰেন্দ্রনাথ শইকীয়াৰ *কর্ণ* (১৯৪৯)

আৰু *লক্ষ্মণ* (১৯৪৯) ইত্যাদি। ইয়াৰ পাছৰ পৰা ক্ৰমান্বেয়ে পৌৰাণিক নাটৰ ধাৰাটি ক্ষীণ হৈ আহে। ৰামধেনু যুগত অৱশ্যে ঐতিহাসিক নাটকৰ ধাৰা এটিও প্ৰবাহিত হৈ আছিল। অতুলচন্দ্ৰ হাজৰিকাৰ *ছত্ৰপতি শিবাজী* (১৯৪৭), প্ৰবীণ ফুকনৰ *মণিৰাম দেৱান* (১৯৪৮) আৰু *লাচিত বৰফুকন* (১৯৪৯), সুৰেন্দ্ৰনাথ শইকীয়াৰ *কুশল কোঁৱৰ* (১৯৪৯), প্ৰফুল্ল বৰাৰ *পিয়লি ফুকন* (১৯৪৮), আব্দুল মালিকৰ *ৰাজদ্ৰোহী* (১৯৫৬), ফণী শৰ্মাৰ *ভোগজৰা* (১৯৫৭), সত্যপ্ৰসাদ বৰুৱাৰ *জ্যোতিৰেখা* (১৯৫৮), হেম শৰ্মাৰ *কাঞ্চনমালা* (১৯৫৭), উত্তম বৰুৱাৰ *বৰ মানুহৰ দোলা* (১৯৬১), *জেৰেঙাৰ সতী* (১৯৬২) আৰু *বৰৰজা ফুলেশ্বৰী* (১৯৭১); যুগল দাসৰ *১৮৫৭* (১৯৬২) আদি এই ক্ষেত্ৰত উল্লেখযোগ্য। তাৰ পৰৱৰ্তী সময়ত এই ধাৰাটি ক্ৰমান্বয়ে শীৰ্ণ হৈ আহে।

ৰামধেনু যুগত ৰচিত নাটকসমূহ লক্ষ্য কৰিলে আমাৰ চকুত পৰে যে এই সময়ছোৱাত অসমীয়া নাটকৰ ক্ষেত্ৰখনত থকা শ্বেইক্সপীয়েৰৰ একক প্ৰভাৱ ক্ৰমান্বয়ে কমি আহিবলৈ ধৰে। তাৰ পৰিৱৰ্তে হেন্ৰিক ইবছেন, বাৰ্ণাৰ্ড শ্ব প্ৰমুখ্যে বাস্তৱবাদী নাট্যকাৰসকলৰ আৰ্হিৰেই নাটকত বাস্তৱ পৰিৱেশ সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ল। আৰম্ভ হ'ল প্ৰতিটো অঙ্ক আৰু দৃশ্যৰ আৰম্ভণিতে দীঘলীয়া মঞ্চ নিৰ্দেশনাৰ ব্যৱস্থা। পূৰ্বৰ পাঁচ অঙ্কৰ ঠাইত তিনি অঙ্কত নাটকৰ কাহিনী বিভক্ত কৰা হ'ল। ইয়াৰ লগতে আধুনিক সমালোচকৰ দৃষ্টিত অবাস্তৱ যেন লগা স্বগত উক্তি, কাষৰীয়া উক্তি, নাটকীয় একোক্তি, আকাশবাণী, নেপথ্য বাণী আদি অধিকাংশ নাটকতে বৰ্জন কৰা হ'ল; তদুপৰি মূল নাট্য কাহিনীৰ লগত পূৰ্বে সংযোগ কৰা উপ-কাহিনী, লঘু দৃশ্য আদিও পৰিহাৰ কৰা হ'ল।

এই সময়ৰ নাট্যকাৰসকলৰ মাজত সামাজিক সংস্কাৰ, বৰ্তমান যুগৰ সমস্যাসমূহ চিত্ৰিত কৰাৰ প্ৰয়াস দেখা যায়। বিশেষকৈ নৱলব্ধ স্বাধীনতাৰ উদ্দীপনাই নাট্যকাৰসকলক স্বাধীনতা লাভৰ নাইবা স্বাধীনতা ৰক্ষাৰ কাৰণে জীৱন আহুতি দিয়া বীৰ-বীৰাঙ্গনাসকলৰ আত্মাহুতিৰ কাহিনী চিত্ৰিত কৰিবলৈকো প্ৰেৰণা দান কৰিছে। ইয়াৰ লগতে ৰেডিঅ' নাটক আৰু একাঙ্কিকা-নাটৰ সংখ্যাও লাহে লাহে বৃদ্ধি পাবলৈ ধৰে।

পঞ্চাশৰ দশকত ৰচিত সাৰদা বৰদলৈৰ *পহিলা তাৰিখ* (১৯৫৪) আৰু গিৰীশ চৌধুৰীৰ *মিনা বজাৰ* (১৯৫৮) নামৰ নাট দুখনত নতুন জীৱনবোধৰ প্ৰকাশ ঘটিল। ইয়াৰ উপৰি অনিল চৌধুৰীৰ *প্ৰতিবাদ* (১৯৫৩), প্ৰবীণ ফুকনৰ *শতিকাৰ বান* (১৯৫৮), সৰ্বেশ্বৰ চক্ৰৱৰ্তীৰ *অভিমান* (১৯৫২) আৰু *কংকন* (১৯৫৬); সত্যপ্ৰসাদ বৰুৱাৰ *শিখা* (১৯৫৭), জনার্দন ঠাকুৰৰ *ভৈয়ামৰ সেন্দূৰী আলি* (১৯৫৪), অৰুণ শৰ্মাৰ *উৰুখা পঁজা* (১৯৬০) এই দশকটিৰ উল্লেখযোগ্য ফচল।

ষাঠিৰ দশকটিত ৰচিত লক্ষ্যধৰ চৌধুৰীৰ *নিমিলা অংক* (১৯৬৫) আৰু ফণী শৰ্মাৰ *কিয়?* (১৯৬১) দুখন উল্লেখযোগ্য সামাজিক নাটক। তাৰ পৰৱৰ্তী কালৰ কেইখনমান উল্লেখযোগ্য সামাজিক আৰু ৰাজনৈতিক চেতনাযুক্ত নাটক হ'ল— ফণী

শর্মাৰ *চিৰাজ* (১৯৬৭); প্রফুল্ল বৰাৰ *সাঁকো* (১৯৬৫); অৰুণ শর্মাৰ *শ্রীনিবাৰণ ভট্টাচার্য* (১৯৬৭); অনিল চৌধুৰীৰ *চিৰন্তন* (১৯৫৫); অভয় ডেকাৰ *গড়াখহনীয়া* (১৯৫৫); অমৰ পাঠকৰ *ইণ্টাৰভিউ* (১৯৫৫); ৰত্ন ওজাৰ *গহুৰ* (১৯৬৯); অৰূপ চক্রৱর্তীৰ *আগমনি* (১৯৭০) আদি।

বিংশ শতিকাৰ সপ্তম দশকতে অসমীয়া নাট্যধাৰাত আমেৰিকাত আলোড়ন সৃষ্টি কৰা 'এবছার্ড নাটকে'ও ঠাই পালে। এবছার্ড নাটকৰ আৰ্হিৰে অসমীয়াত তেনে নাটক ৰচনা কৰিলে অৰুণ শর্মাই। উল্লেখযোগ্য যে এটা সময়ত এবছার্ড শব্দটোৰ সমার্থক শব্দ হিচাপে অসমীয়াত 'উদ্ভট' শব্দটো প্রয়োগ কৰা হৈছিল। কিন্তু সাম্প্রতিক কালৰ সমালোচকসকলে 'উদ্ভট' শব্দই এবছার্ড (নাটকৰ ক্ষেত্রত)ৰ সম্পূর্ণ অর্থ বহন নকৰে বুলি বিবেচনা কৰি অসমীয়া ভাষাত (আনকি অনেক ভাৰতীয় ভাষাতো) 'এবছার্ড' শব্দকে ব্যৱহাৰ কৰে। অৰুণ শর্মাই ১৯৬৪ চনত ৰচনা কৰা *আহাৰ* এখন সার্থক এবছার্ড নাটক।

স্বাধীনতাৰ পাছৰ দুটা দশকত একাংকিকা নাটকে জনপ্রিয়তা অর্জন কৰে। একাংকিকা নাটৰ প্রচলন তথা জনপ্রিয়তাৰ ক্ষেত্রত মহেশ্বৰ নেওগে দিয়া মন্তব্যটি প্রণিধানযোগ্য— "পূর্ণাঙ্গ নাটকে আৰু এটি নতুন প্রত্যাহ্বান শুনিছে এটি ফুকলীয়া ল'ৰাৰপৰা— ল'ৰাটি হ'ল একাংকিকা।" অৱশ্যে মন কৰিবলগীয়া যে একাংকিকা নাটকসমূহৰ সৰহভাগেই স্কুল-কলেজৰ ছাত্র আৰু শিক্ষকৰ দ্বাৰা ৰচিত আৰু এইবোৰ লিখা হৈছিল নিয়মীয়াকৈ অনুষ্ঠিত হোৱা বিভিন্ন একাংকিকা নাট প্রতিযোগিতাৰ বাবেহে। অৱশ্যেই বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে একাংকিকা নাট প্রতিযোগিতা পাতি এই নাটকৰ ধাৰাটোক আগবঢ়াই দিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৰামধেনু যুগত ৰচিত ঐতিহাসিক নাটকৰ ধাৰাটোৰ বিষয়ে চমুকৈ লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ২ ঃ এবছার্ড নাটকৰ আৰ্হিৰে লিখা প্রথমখন অসমীয়া নাটকৰ নাম কি আৰু কোনে ৰচনা কৰিছিল?

.....

১৫.৩.২ চুটিগল্প

ইয়াৰ আগৰ অধ্যায়টিত আপুনি জোনাকী যুগত অসমীয়া গল্প সাহিত্যৰ উন্মেষ যে ঘটিছিল সেই বিষয়ে অধ্যয়ন কৰি আহিছে। সেই সময়ত *জোনাকী* কাকতৰ লগতে *আৰাহন* কাকতৰ জৰিয়তে অসমীয়া গল্প সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা হয়। বিশেষকৈ *আৰাহন* কাকতৰ মাজেদি অসমীয়া গল্প সাহিত্যলৈ যি পৰিৱৰ্তন আহিল, দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাৰ প্ৰাৰম্ভিক কেইটামান বছৰলৈ তাৰ গতি অব্যাহত আছিল; কিন্তু যুদ্ধৰ তীব্ৰতা আৰু ব্যাপ্তি বঢ়াৰ লগে লগে সাহিত্যতো তাৰ বিৰূপ প্ৰতিক্ৰিয়া পৰিল। বিশেষকৈ *আৰাহন* কাকতৰ প্ৰকাশ অনিয়মীয়া হ'ল, লগতে কাগজ আদিৰ অনাটনৰ বাবে পুথি প্ৰকাশো বাধাপ্ৰাপ্ত হ'ল। ফলত সাময়িকভাৱে সাহিত্যৰ বিভিন্ন ঠালবোৰৰ দৰে গল্প সাহিত্যৰ বিকাশো বাধাগ্ৰস্ত হ'ল। ইয়াৰ পাছতে কেইবাজনো অসমপ্ৰেমী যুৱকৰ প্ৰচেষ্টাত *জয়ন্তী, সুৰভি* আদি কাকত প্ৰকাশ হৈছিল। এইকেইখনত দুই-চাৰিটা গল্প প্ৰকাশ হৈছিল যদিও তাক পৰ্যাপ্ত বুলিব নোৱাৰি। অৱশ্যে বিশ্বযুদ্ধ শাম কটাৰ লগে লগে আৰু দেশে স্বাধীনতা লাভৰ পিছত সাহিত্যতো নতুন জাগৰণে দেখা দিলে। এই সময়তে অসমীয়া সাহিত্যৰো স্বৰূপ সলনি হয়। স্বৰাজোত্তৰ কালত অসমীয়া চুটিগল্পই অধিক সমৃদ্ধিশালী ৰূপত আত্মপ্ৰকাশ কৰে। ১৯৫১ চনৰ পৰা প্ৰকাশ পোৱা *ৰামধেনু* আলোচনীখনে এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। প্ৰগতিশীল *জয়ন্তী* কাকতৰ বুকুতেই এই পৰিক্ৰমাৰ আৰম্ভ হৈছিল যদিও *ৰামধেনু* আলোচনীৰ পাততহে ই অধিক জনপ্ৰিয় তথা বিস্তাৰিত হৈ উঠে। জোনাকী যুগত প্ৰতিষ্ঠা লাভ কৰা দুই-এক গল্পকাৰৰ লগত ৰামধেনু যুগত আত্মপ্ৰকাশ কৰিলে এচাম নতুন গল্পকাৰে। এওঁলোকে বিভিন্ন ন ন আংগিক তথা বিষয়বস্তুৰে অসমীয়া চুটিগল্পক আৰু সমৃদ্ধ কৰি তোলে।

ইতিমধ্যে আমি ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ পটভূমিৰ বিষয়ে আলোচনা কৰি আহিছোঁ। তাত উল্লেখ কৰা বিভিন্ন কাৰকবোৰৰ ফলস্বৰূপে অসমীয়া চুটিগল্পলৈও পৰিৱৰ্তন আহিল। ইয়াৰ লগতে প্ৰভাৱ পেলালে বিভিন্ন সাহিত্যিক মতবাদে, যেনে— সমাজবাদ, বাস্তৱবাদ, মনস্তাত্ত্বিক, অৱস্থিতিবাদ, অভিব্যক্তিবাদ, অতিবাস্তৱবাদ, চেতনাস্ৰোত আদিয়েও অসমীয়া চুটিগল্পত সোমাই পৰি এই শিল্পকৰ্মটিক অধিক বৈচিত্ৰ্যময় কৰি তোলে। গল্পকাৰসকল বিষয়বস্তু আৰু আংগিকৰ প্ৰতি অধিক সচেতন হ'ল। এই সময়তে *ৰামধেনু* আলোচনীখনক কেন্দ্ৰ হিচাপে লৈ অসমীয়া গল্পকাৰে অসমীয়া চুটিগল্পক ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰিলে ন ন ভাব তথা আংগিকেৰে। ৰামধেনু যুগৰ প্ৰধান গল্পকাৰসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল— চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্ৰ নাথ শইকীয়া, হোমেন বৰগোহাঞি, নিৰোদ চৌধুৰী, চন্দ্ৰপ্ৰসাদ শইকীয়া, স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, অতুলানন্দ গোস্বামী, শীলভদ্ৰ, মামণি ৰয়ছম গোস্বামী, নগেন শইকীয়া,

অণিমা দত্ত, প্ৰবীণা শইকীয়া, গোবিন্দ প্ৰসাদ শৰ্মা, কুমুদ গোস্বামী, অপূৰ্ব শৰ্মা, ভদ্ৰেশ্বৰ শইকীয়া, ৰিজু হাজৰিকা, যতীন বৰা, লক্ষ্মীনন্দন বৰা আদি।

*জয়ন্তী*ৰ পাততে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰা চৈয়দ আব্দুল মালিকৰ চুটিগল্পই পৈণত ৰূপ লাভ কৰে ৰামধেনু যুগত। সামাজিক সচেতনতা, ৰোমাণ্টিক স্বপ্ন আৰু নৰ-নাৰীৰ যৌন সম্পৰ্কৰ বিশ্লেষণ আদিয়েই আছিল তেওঁৰ গল্পৰ মূল উপজীব্য। 'হৰি মাষ্টৰৰ দোকান', 'বীভৎস বেদনা', 'তিনিচকীয়া গাড়ী', 'যীশুখৃষ্টৰ ছবি', 'কাঠফুলা' আদি এওঁৰ উল্লেখযোগ্য গল্প। *পৰশমণি, ৰঙাগড়া, মৰহা পাপৰি, মৰম মৰম লাগে, এজনী নতুন ছোৱালী, শিল আৰু শিখা, শিখৰে শিখৰে, ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ, বহুত বেদনা, এটোপাল চকুলো, প্ৰাণাধিকা, পোৰা গাঁওত পহিলা বহাগ* আদি মালিকৰ প্ৰকাশিত গল্পপুথি। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই 'এজনী জাপানী ছোৱালী', 'মাকনৰ গোসাঁই', 'মিঞা মনচুৰ', 'ঈদৰ জোন' আদি গল্পৰে সামাজিক বাস্তৱবাদক অধিক স্পষ্ট কৰি তোলে। নাট্যগুণধৰ্মিতা আৰু গীতিধৰ্মিতা এওঁৰ গল্পৰ প্ৰধান বৈশিষ্ট্য। *কলং আজিও বয়* আৰু *সাতসৰী* তেওঁৰ উল্লেখযোগ্য গল্পপুথি। মহিম বৰাই 'কাঠনিবাৰী ঘাট', 'বহুভুজী ত্ৰিভুজ', 'মই, পিপলি আৰু পূজা', 'টোপ', 'এখন নদীৰ মৃত্যু' আদি গল্পৰে ঘটনা উপযোগী বাস্তৱ পৰিৱেশ সৃষ্টি কৰি এক কাব্যিক ব্যঞ্জনাৰে গভীৰ জীৱনবোধৰ প্ৰকাশ কৰিছিল। *কাঠনিবাৰী ঘাট; বহুভুজী ত্ৰিভুজ; মই, পিপলি আৰু পূজা; এখন নদীৰ মৃত্যু; ৰাতি ফুলা ফুল* আদি বৰাৰ প্ৰকাশিত গল্প সংকলন। যোগেশ দাস ৰামধেনু যুগৰ আন এগৰাকী প্ৰসিদ্ধ গল্পকাৰ। সহজ-সৰল আৰু সাৱলীল ভাষাৰে চহৰীয়া আৰু গাঁৱলীয়া জীৱনৰ পটভূমিত ৰচনা কৰা দাসৰ অধিক সংখ্যক গল্পই শিল্পগুণেৰে সমৃদ্ধ। তেওঁৰ আদিছোৱাৰ একাংশ গল্পত ফুটাই তোলা ব্যক্তিজীৱনৰ নৈতিক অধঃপতনৰ চিত্ৰ প্ৰত্যয়শীল আৰু চিত্তস্পৰ্শী। দাসৰ 'গদাধৰ টি ষ্টল', 'কলপটুৱাৰ মৃত্যু', 'পূজাৰ ফুল', 'পৃথিৱীৰ অসুখ' আদি গল্পৰ আবেদনশীলতা অবিস্মৰণীয়। *পপীয়া তৰা, আন্ধাৰৰ আঁৰে আঁৰে, ত্ৰিবেণী, হেজাৰ লোকৰ ভিৰ, পৃথিৱীৰ অসুখ* আদি তেওঁৰ প্ৰকাশিত গল্পপুথি।

এই যুগৰ আন এজন বিশিষ্ট কথাশিল্পী হ'ল সৌৰভ কুমাৰ চলিহা। আন গল্পকাৰসকলতকৈ কিছু পৃথক বিষয়বস্তু আৰু প্ৰকাশভংগীৰ অভিনৱত্বৰে আধুনিক নগৰকেন্দ্ৰিক জীৱনৰ নিঃসংগতা, বিচ্ছিন্নতা, অন্তঃসাৰশূন্যতাৰ বুদ্ধিদীপ্ত প্ৰকাশ ঘটিছে এওঁৰ গল্পত। তেওঁ *ৰামধেনু* আলোচনীখনত 'অশান্ত ইলেক্ট্ৰন' নামৰ গল্পটোৰে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল। 'বীণা কুটিৰ', 'গোলাম', 'এহাত ডবা' আদি তেওঁৰ প্ৰধান গল্প। ব্যঞ্জনাত্মক বিন্যাস ৰীতি, প্ৰতীক-চিত্ৰকল্পৰ প্ৰয়োগ, দৃষ্টিৰ অন্তৰ্মুখিতা আৰু মনস্তাত্ত্বিক বিশ্লেষণ আদিৰ সংযোগত চলিহাৰ গল্পই প্ৰকৃতাৰ্থত আধুনিকতাবাদী গল্পৰ ৰূপ পৰিগ্ৰহ কৰিছে। *অশান্ত ইলেক্ট্ৰন, দুপৰীয়া, গোলাম, এহাত ডাবা* আদি চলিহাৰ উল্লেখযোগ্য গল্পপুথি।

ভবেন্দ্ৰ নাথ শইকীয়াই 'পথ নিৰুপমা' গল্পৰে নিজৰ গল্পকাৰ জীৱন আৰম্ভ

কৰি 'গ্ৰহণ', 'গহ্বৰ', 'প্ৰহৰী', 'অসুখ', 'এন্দুৰ', 'ঢোৰাসাপ' আদি উৎকৃষ্টতম গল্প লিখি অসমীয়া গল্পসাহিত্যৰ ভঁৰাল চহকী কৰে। মহেন্দ্ৰ বৰাৰ মতে এওঁৰ গল্পত 'ডিটেইলছৰ ধাৰ নিছিগা স্ফুৰণ' পোৱা যায়। শইকীয়াৰ প্ৰকাশিত গল্পপুথিসমূহ হ'ল—*প্ৰহৰী, গহ্বৰ, বৃন্দাবন, সেন্দূৰ, শৃংখল, ভবেন্দ্ৰ নাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প, সান্ধ্য ভ্ৰমণ* ইত্যাদি। তেওঁ *সেন্দূৰ* পুথিৰ বাবে প্ৰকাশন পৰিষদ বঁটা আৰু *শৃংখলৰ* বাবে অকাদেমি বঁটা লাভ কৰে। বৌদ্ধিক দুখ আৰু বিষাদ তথা সামাজিক যন্ত্ৰণাই সৃষ্টি কৰা যন্ত্ৰণা আৰু ক্ৰোধৰ বহিৰ্প্ৰকাশ ঘটিছিল হোমেন বৰগোহাঞিৰ গল্পত। 'ইস্মাইল শেখৰ সন্ধানত', 'ভয়', 'এপিটাফ', 'ধুমুহা', 'হাতী', 'আনন্দৰ উৎস', 'শূন্যতা' আদি এওঁৰ উৎকৃষ্টতম গল্পৰোৰৰ একোটা। *বিভিন্ন কোৰাছ, প্ৰেম আৰু মৃত্যুৰ কাৰণে* আদি বৰগোহাঞিৰ উল্লেখযোগ্য গল্পপুথি। 'এদিন' নামৰ উপন্যাসেৰে সাহিত্যত আত্মপ্ৰকাশ কৰা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ গল্পত আদৰ্শপৰায়ণতা আৰু মানৰীয় প্ৰমূল্য অন্বেষী চৰিত্ৰ সৃষ্টিৰ প্ৰৱণতা লক্ষ্য কৰা হয়। শইকীয়াৰ চৰিত্ৰ চিত্ৰণত অন্তৰ্দৃষ্টি আৰু পৰ্যবেক্ষণশীলতাৰ পৰিচয় পোৱা যায়। *মায়ামৃগ, নাচপতি ফল, অংগীকাৰ* আদি তেওঁৰ প্ৰকাশিত গল্প সংকলন।

এই সময়ৰে আন এগৰাকী গল্পকাৰ ৰোহিণী কাকতিৰ গল্পত সমসাময়িক মধ্যবিত্ত শ্ৰেণীৰ জীৱন চিত্ৰণ আবেদনশীল। *এজাক এন্ধাৰ* আৰু *কুৎসিৎ* তেওঁৰ দ্বাৰা ৰচিত আৰু প্ৰকাশিত গল্পপুথি। এই সময়ছোৱাত প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰ বীৰেশ্বৰ বৰুৱাৰ প্ৰকাশিত গল্পপুথি— *প্ৰথম ৰাগিণী, নীলিমাৰ মন, বনহৰিণী, প্ৰাচীৰ* আৰু *প্ৰতিচ্ছবি*। বৰুৱাৰ গল্প কোৱা ৰীতিত বৈচিত্ৰ্য আছে। তেওঁৰ একাংশ গল্পত ৰোমাণ্টিক চেতনাৰ প্ৰকাশ মন কৰিবলগীয়া। দুই-এটা গল্প ৰূপকধৰ্মীও।

বৰ্তমানলৈকে গল্প ৰচনা কৰি থকা এই সময়ৰ এজন উল্লেখযোগ্য গল্পকাৰ হ'ল লক্ষ্মীনন্দন বৰা। *দৃষ্টি ৰূপক, মন-মাটি-মেঘ, অচিন কইনা, কঠিন মায়া, মাজত তৃষাৰ নৈ, গোপন গধূলি, এৰাবাৰীৰ লেছেৰী* আদি লক্ষ্মীনন্দন বৰাৰ প্ৰকাশিত গল্পপুথি। তেওঁৰ গল্পত অসমৰ গ্ৰাম্য সমাজ জীৱনৰ চিত্ৰ সম্যকভাৱে প্ৰতিফলিত হৈছে।

ৰামধেনু যুগৰ গল্পকাৰ স্নেহ দেৱীৰ গল্পত প্ৰাত্যহিক ঘটনাৰ মাজেদি একোটা আদৰ্শ ৰূপায়ণ কৰাৰ আগ্ৰহ চকুত পৰে। *স্নেহ দেৱীৰ গল্প, স্নেহ দেৱীৰ একুঁকি গল্প* আদি তেওঁৰ উল্লেখযোগ্য গল্প সংকলন। ঠিক সেইদৰে নিৰুপমা বৰগোহাঞিৰ গল্পত দেখা যায় নাৰীমনৰ মুক্ত প্ৰকাশ আৰু গ্ৰাম্য জীৱনৰ চিত্ৰ। তেওঁৰ গল্পৰ উপস্থাপন ৰীতি পোন, ভাষা সাৱলীল। *অনেক আকাশ, জলছবি, কাশীলৈ দূৰ নহয়* আদি তেওঁৰ প্ৰকাশিত গল্পৰ পুথি। এই যুগৰ আন এগৰাকী ব্যতিক্ৰমধৰ্মী গল্পকাৰ হ'ল অপূৰ্ব শৰ্মা। চেতনাস্ৰোত ধাৰাৰে লিখা এওঁৰ গল্পসমূহত ঘাইকৈ ব্যক্তিৰ মনোদ্বন্দ্বক প্ৰধান উপজীব্য কৰি লোৱা হৈছিল। 'শুভবাৰ্তা', 'নিনাদ', 'বাহিৰলৈ যোৱা বাট', 'হলধৰ' আদি এওঁৰ উল্লেখযোগ্য গল্প।

ৰামধেনু যুগতে নগেন শইকীয়ায়ো আংগিকৰ প্ৰতি সজাগ দৃষ্টি নিক্ষেপ কৰি

গল্প ৰচনাত ব্ৰতী হৈছিল। 'আন্ধাৰত নিজৰ মুখ', 'মজিদ চাৰ ঢুকাল', 'অন্তিম অপেক্ষা' আদি এওঁৰ উৎকৃষ্ট গল্পবোৰৰ উদাহৰণ। *অপার্থিৱ পার্থিৱ, অস্তিত্বৰ শিকলি, আন্ধাৰত নিজৰ মুখ* আদি শইকীয়াৰ উল্লেখযোগ্য গল্পপুথি। তেওঁৰ গল্পত আংগিকৰ চমৎকাৰিত্ব আৰু চৰিত্ৰৰ অন্তৰ্দ্বন্দ্বৰ ৰূপায়ণ মন কৰিবলগীয়া। তেওঁৰ একাংশ গল্পত অস্তিত্ববাদী দৰ্শনৰ প্ৰভাৱ সুস্পষ্ট। পাছলৈ ঔপন্যাসিক হিচাপে চিহ্নিত হোৱা মামণি ৰয়ছম গোস্বামীয়েও এই সময়তে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল। নাৰীৰ মনস্তত্ত্বৰ লগতে নাৰী মুক্তিৰ চেতনা মানৱীয় দৃষ্টিভংগীৰে প্ৰকাশ পাইছিল এওঁৰ গল্পত।

এই সময়ত প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰ নিৰোদ চৌধুৰী, ইমৰান শ্বাহ, অণিমা দত্ত, অৰুণ গোস্বামী, কুমুদ গোস্বামী, অতুলানন্দ গোস্বামী, মেদিনী চৌধুৰী, পদ্ম বৰকটকী, বীৰেশ্বৰ বৰুৱা, ছাইদুল ইছলাম, নীলিমা শর্মা, ভুবনমোহন মহন্ত, মহেন্দ্ৰ বৰঠাকুৰ, প্ৰবীণা শইকীয়া, কেশৰ শইকীয়া, গোবিন্দ প্ৰসাদ শর্মা, সদা শইকীয়া, হৰেকৃষ্ণ ডেকা, কামাখ্যা সভাপণ্ডিত, পেলেন বৰকটকী, ত্ৰৈলোক্য ভট্টাচার্য, ৰিজু হাজৰিকা, কুমাৰ কিশোৰ আদিয়েও বিভিন্ন গল্প লিখি অসমীয়া গল্প সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে বা সমৃদ্ধ কৰিছে।

এই সময়ৰ গল্পসমূহৰ প্ৰধান বৈশিষ্ট্যসমূহ এনেদৰে লিপিবদ্ধ কৰিব পাৰি—

- সামাজিক দায়বদ্ধতা সমাজ সচেতনৰ মূৰ্ত প্ৰকাশ।
- মানৱিক চেতনাৰ গুৰুত্ব অধিক।
- ব্যংগাত্মক ধাৰা এটায়ো গঢ় লৈ উঠিছিল। ই বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে।
- মানৱীয় মনস্তত্ত্বৰ সার্থক প্ৰকাশ।
- অভিব্যক্তিবাদ, অধিবাস্তৱবাদ, প্ৰগতিবাদ আদিৰ দৰে অন্যান্য মতবাদৰ সার্থক প্ৰকাশ, ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ চৈয়দ আব্দুল মালিকৰ দুখন গল্পপুথিৰ নাম লিখক।

.....

প্ৰশ্ন নং ৪ ঃ সৌৰভ কুমাৰ চলিহাই কোনটো গল্পৰে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰিছিল।

.....

প্ৰশ্ন নং ৫ ঃ নগেন শইকীয়াৰ গল্পত কোন দৰ্শনৰ প্ৰভাৱ সুস্পষ্ট ৰূপে দেখা যায়।

.....

১৫.৩.৩ অন্যান্য সাহিত্য

ইতিমধ্যে আলোচনা কৰা সাহিত্যৰ ঠালসমূহৰ উপৰি ৰামধেনু যুগত অসমীয়া

সাহিত্যৰ বিভিন্ন দিশ বা ঠালসমূহৰো সমৃদ্ধি হ'বলৈ ধৰে। এই সকলো ঠালৰ বিষয়ে বহলাই আলোচনা কৰাটো সহজসাধ্য নহয়। কিয়নো স্বাধীনতা লাভৰ পাছত ডেৰ কুৰি বছৰৰ ভিতৰত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ উপৰি ধর্ম, বিজ্ঞান, জীৱনী, ভ্রমণ, সমালোচনা সাহিত্য ইত্যাদি অনেক বিষয়ৰ গ্রন্থ প্রকাশ পাইছে। তদুপৰি অসমীয়া সাহিত্যৰ বিচাৰতো গতিশীলতা আৰু মননশীলতা প্রকাশ পাইছে, নতুন পদ্ধতি আৰু দৃষ্টিভঙ্গীৰে সাহিত্যৰ মূল্যায়ন কৰিব বিচৰা হৈছে। এই অধ্যায়টিত এই সকলো দিশ সামৰাটো সহজ নহয়। সেয়ে আমি অধ্যায়টিত অসমীয়া জীৱনী, প্রবন্ধ, ভ্রমণ আৰু সমালোচনা সাহিত্য সম্পর্কে চমুকৈ আলোচনা দাঙি ধৰিম।

ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পাছৰ তিনিটা দশকত যথেষ্ট সংখ্যক জীৱনী আৰু আত্মজীৱনী প্রকাশ পাইছে। অৱশ্যে এই সময়ছোৱাত প্রকাশিত এই শ্রেণীৰ জীৱনীত জীৱনী সাহিত্যৰ প্রকৃত বৈশিষ্ট্যসমূহ প্রকাশ পোৱা নাছিল। সত্যেন্দ্রনাথ শর্মাৰ ভাষাৰে— "...সম্পূর্ণ বৈজ্ঞানিক ভিত্তিত, নিৰপেক্ষ দৃষ্টিৰে, বীৰপূজাৰ ভাবৰপৰা নিজকে আঁতৰাই ৰাখি চৰিত্র বখানিবলৈ লোৱা নায়কজনৰ সকলো দিশ অনাসক্তভাৱে চালি জাৰি চাই ৰচনা কৰা জীৱনচৰিত আমাৰ সাহিত্যত নাই বুলিলেও বোধকৰো অত্যুক্তি কৰা নহ'ব।" তথাপি এই সময়ছোৱাতে নলিনীবালা দেৱীয়ে পিতৃ নবীন চন্দ্র বৰদলৈৰ জীৱনী *স্মৃতিতীর্থ* (১৯৪৮), *ছর্দাৰ বল্লভভাই পেটেল* (১৯৬০), শশী শর্মাৰ *ৰসৰাজ বেজবৰুৱা* (১৯৬৮), প্রফুল্ল দত্তগোস্বামীৰ *মাণিকচন্দ্র বৰুৱা আৰু তেওঁৰ যুগ* (১৯৭০), সত্যেন বৰকটকীৰ *নেপ'লিয়ন বোনাপার্ট* (১৯৬৭) আদি উল্লেখযোগ্য।

এই সময়ছোৱাতে শ্রীমন্ত শংকৰদেৱৰ জীৱনৰ আধাৰত মহেশ্বৰ নেওগে ৰচনা কৰে *শ্রীশ্রী শংকৰদেৱ* (১৯৪৯), ডিম্বেশ্বৰ নেওগে *যুগনায়ক শংকৰদেৱ* (১৯৬৭) আৰু বাপচন্দ্র মহন্তই *মহাপুৰুষ শংকৰদেৱ* (১৯৬৫)। অসম সাহিত্য সভায়ো এই সময়ছোৱাতে *নকুল চন্দ্র ভূঞা* (১৯৬৮), *ৰঘুনাথ চৌধাৰী* (১৯৬৮), *ৰাধাকান্ত সন্দিকৈ* (১৯৬৯), *হেৰম্বপ্রসাদ বৰুৱা* (১৯৬৮), *প্রমথনাথ চক্রৱর্তী* (১৯৬৮), *বিশ্বনাথ ৰাজবংশী* (১৯৬৬) ৰ জীৱনী প্রকাশ কৰে। আলোচ্য কালছোৱাত প্রকাশ পায় লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ* (১৯৪৪)। উল্লেখযোগ্য যে এইখন আত্মজীৱনী প্রথমতে *বাঁহী* আলোচনীত ছোৱা ছোৱাকৈ প্রকাশ হৈছিল। ইয়াৰ উপৰি এই সময়ছোৱাতে পদ্মনাথ গোহাঞিবৰুৱাৰ আত্মজীৱনী, বেণুধৰ ৰাজখোৱাৰ *মোৰ জীৱন-দাপোণ* (১৯৬৯), শৈলধৰ ৰাজখোৱাৰ *অতীতৰ সোঁৱৰণী* (১৯৬৯), পদ্মধৰ চলিহাৰ *জীৱন বীণাৰ সুৰে* (১৯৬৪), নজৰ আলিৰ *মোৰ জীৱনৰ কিছু কথা* (১৯৬৯), নন্দমোহন মজুমদাৰৰ *এৰি অহা দিনবোৰ* (১৯৬৯) প্রকাশ পায়। লগতে কেইবাজনো অসমীয়া লেখকে সৰু ল'ৰা-ছোৱালীৰ উপযোগীকৈ ৰচনা কৰিলে বিভিন্ন বিশিষ্ট ব্যক্তিৰ চমু জীৱনী। তদুপৰি বহু প্রতিষ্ঠিত লেখকে আত্মজীৱনীৰ কিছু কথা বিভিন্ন কাকত-আলোচনীত প্রকাশ কৰিলে।

ৰামধেনু যুগত প্ৰবন্ধ ৰচনাৰ ক্ষেত্ৰত আমি দুই ধৰণৰ ধাৰা দেখিবলৈ পাওঁ— এক হ'ল হাস্য ৰসাত্মক নিবন্ধ আৰু দ্বিতীয় ভাগটো হ'ল দাৰ্শনিক, ঐতিহাসিক, ধাৰ্মিক বা আন তথ্যপূৰ্ণ প্ৰবন্ধ। এই সময়ছোৱাত ব্যক্তিনিষ্ঠ, লঘু ৰস-ৰচনা কিছু পৰিমাণে জনপ্ৰিয় হৈছিল। বিশেষকৈ ইংৰাজ লেখক চার্লচ লেম্ব, ৰবার্ট লিণ্ড, ষ্টিফেন লিকক, জি কে চেষ্টার্টন আদিৰ প্ৰভাৱত অসমীয়া সাহিত্যিকসকলে ৰসঘন পৰিৱেশ, অনুভূতিৰ প্ৰাধান্যৰে এই শ্ৰেণীৰ ৰচনা লিখিবলৈ ল'লে। লক্ষ্মীনাথ বেজবৰুৱাই লিখা 'ভাবৰ বুৰবুৰণি', 'কৃপাবৰ বৰুৱাৰ বুলনি' আদিয়েই এই শ্ৰেণীৰ অসমীয়া ৰচনাৰ আদিতম নিদৰ্শন বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। ডাক্তৰ হেমচন্দ্ৰ বৰুৱাই *চপনীয়া, মোৰ ঘৰখন, নৱগ্ৰহ* লিখিছিল স্বাধীনতাৰ ঠিক পৰৱৰ্তী সময়তে। ইয়াৰ পাছতে কুমাৰ মধুসূদনে *কিমাশ্চৰ্যম* (১৯৫০), তিলক হাজৰিকাই *আড্ডা* (১৯৫৮), *কত কথা* (১৯৬০), হেমচন্দ্ৰ শৰ্মাই *বাটৰ দুৱৰীবন* (১৯৫৭), *স্বাগত* (১৯৬২); কীৰ্তিনাথ হাজৰিকাই *নাৰদৰ ডায়েৰী* (১৯৭০), কিৰণ শৰ্মাই *কিমিদং ব্যাহৃতং ময়া* (১৯৫৮), ভদ্ৰ বৰাই *অৰ্ধং ত্যজতি* (১৯৫৭) আৰু *মধুৰেণ* (১৯৬১), লীলা গগৈয়ে *কপলিং ছিগা ৰেল* (১৯৬১), প্ৰেমনাৰায়ণ দত্তই *ৰসমাধুৰী* (১৯৫৯) আদি লিখি এই ধাৰাটোক সমৃদ্ধ কৰিছিল।

ইয়াৰ পাছতেই আহিল দাৰ্শনিক, ঐতিহাসিক, ধাৰ্মিক বা আন তথ্যপূৰ্ণ প্ৰবন্ধ। এই সময়ছোৱাত লিখা কেইখনমান উল্লেখযোগ্য তেনে প্ৰবন্ধ পুথিৰ নাম আৰু ৰচকৰ নাম তলত উল্লেখ কৰা হ'ল— বিৰিঞ্চি কুমাৰ বৰুৱাৰ *অসমীয়া ভাষা আৰু সংস্কৃতি* (১৯৫৭), *অসমৰ লোক-সংস্কৃতি* (১৯৬১); মহেশ্বৰ নেওগৰ *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি* (১৯৫৭); নকুলচন্দ্ৰ ভূঞাৰ *বাৰভূঞাৰ চমু বৰঞ্জী* (১৯৬০) আৰু *চাহ-বাগিচাৰ বনুৱা* (১৯৬০); লীলা গগৈৰ *বুৰঞ্জীয়ে পৰশা নগৰ* (১৯৫৮), *হেৰুৱা দিনৰ কথা* (১৯৫৮), *আহোম জাতি আৰু অসমীয়া সংস্কৃতি* (১৯৬১), *সীমান্তৰ মাটি আৰু মানুহ* (১৯৬৪); অসম সাহিত্য সভাৰ *পবিত্ৰ অসম* (১৯৬০), *অসমৰ জনজাতি* (১৯৬২); অতুলচন্দ্ৰ হাজৰিকাৰ *উছৱৰ ভোগজৰা* (১৯৬২), *উছৱৰ ৰংচৰা* (১৯৬২); বিশ্বনাৰায়ণ শাস্ত্ৰীৰ *ভাৰতীয় সভ্যতা আৰু সংস্কৃতি* (১৯৬০), ভুবন মোহন দাসে লিখা নৃতত্ত্ব বিষয়ক পুথি *মানৱৰ আদিকথা* (১৯৬০) আৰু *বিৱৰ্তনৰ পথত মানুহ* (১৯৬০); দৰ্শনৰ বিষয়ে লিখা ৰাধানাথ ফুকনৰ *বেদান্ত দৰ্শন* (১৯৫১), *সাংখ্য দৰ্শন* (১৯৪৯), *কথাৰে উপনিষদ* (১৯৫৪), *বিজ্ঞানৰ সিপাৰে* (১৯৫৭); ভবানন্দ দত্তৰ *দৃষ্টি আৰু দৰ্শন* (১৯৫৪) আদিৰ নাম লেখত ল'বলগীয়া। ইয়াৰ উপৰি আন বহু লেখকেও বিভিন্ন প্ৰবন্ধ পুথিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

এই সময়ছোৱাতে ভালেমান ভ্ৰমণ কাহিনীও ৰচনা হৈছিল। তাৰে ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱাৰ *চুইজাৰলেণ্ড ভ্ৰমণ* (১৯৪৮) ইয়াৰে বাটকটীয়া বুলি মহেশ্বৰ নেওগে মত পোষণ কৰিছে। পৰৱৰ্তী সময়ত হেম বৰুৱাই *ৰঙা কৰবীৰ ফুল* (১৯৫৯), অমলেন্দু গুহই *চোভিয়েট দেশত এভুমুকি* (১৯৫৮), প্ৰফুল্ল দত্ত গোস্বামীয়ে *বিলাতত*

সাতমাহ (১৯৫৮), আব্দুছ ছাত্তাৰে *বিদেশত দুদিনমান* (১৯৫৮) ৰচনা কৰি অসমীয়া সাহিত্যৰ এই ঠালটো সমৃদ্ধ কৰিছে।

ৰামধেনু যুগত অসমীয়া সমালোচনা সাহিত্যই বিকাশ লাভ কৰে। এই ক্ষেত্ৰত আমি প্ৰথমেই নাম ল'ব লাগিব হেম বৰুৱাৰ। তেওঁৰ *আধুনিক সাহিত্য* (১৯৬২)খন লেখত ল'বলগীয়া। ভৱানন্দ দত্তই *অসমীয়া কবিতাৰ কাহিনী* (১৯৫৯) আৰু *ৰবীন্দ্ৰ প্ৰতিভা* (১৯৬১) ৰচনা কৰি প্ৰগতিবাদী চিন্তাৰে সাহিত্য সমালোচনা কৰাৰ নতুন ধাৰা এটাৰ পোষকতা কৰিছিল। পৰৱৰ্তী সময়ত তীৰ্থনাথ শৰ্মাই *পঞ্চপুষ্প* (১৯৬৮), *সাহিত্য বিদ্যা পৰিক্ৰমা* (১৯৬৪); মনোৰঞ্জন শাস্ত্ৰীয়ে *সাহিত্য দৰ্শন* (১৯৬২), *বৈষ্ণৱ দৰ্শনৰ ৰূপৰেখা* (১৯৬৫) ৰচনা কৰে। আলোচ্য সময়ছোৱাতে ত্ৰৈলোক্যনাথ গোস্বামীয়ে *সাহিত্য আৰু সমালোচনা* (১৯৫০), *আধুনিক গল্প সাহিত্য* (১৯৬৫), *ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ* (১৯৭০), *সমুদ্ৰ মন্থন* (১৯৬৮) ৰচনা কৰে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীকে ধৰি সাহিত্যৰ বিভিন্ন দিশৰ আলোচনামূলক গ্ৰন্থও এই কালছোৱাতে প্ৰকাশ হয়। ইয়াৰ গুৰি ধৰিছিল ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ আৰু সত্যেন্দ্ৰনাথ শৰ্মাই। ডিম্বেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৬৭), মহেশ্বৰ নেওগে *অসমীয়া সাহিত্যৰ ৰূপৰেখা* (১৯৬২) আৰু সত্যেন্দ্ৰনাথ শৰ্মাই *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* (১৯৫৯) প্ৰকাশ কৰিছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ ইতিবৃত্ত* (১৯৫৯)খন ১৯৮১ চনত *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* নামেৰে পৰিৱৰ্ধিত ৰূপত প্ৰকাশ পায়। মহেশ্বৰ নেওগে অসমীয়া সাহিত্য, সংগীত, নৃত্য, ভাস্কৰ্য, চিত্ৰশিল্প, সমাজ আদি প্ৰায় সকলো দিশতে সমালোচনামূলক দৃষ্টিভঙ্গী প্ৰদৰ্শন কৰি কেইবাখনো গ্ৰন্থ সম্পাদনা কৰি প্ৰকাশ কৰিছে। তাৰে ভিতৰত উল্লেখযোগ্য কেইখনমান হ'ল— *কীৰ্ত্তন ঘোষা* (১৯৫৫), *নামঘোষা* (১৯৫৫), *সঞ্চয়ন* (১৯৫৯), *অসমীয়া প্ৰেম গাথা* (১৯৬০), *আধুনিক অসমীয়া সাহিত্য* (১৯৬৫), *অসমীয়া গীতি-সাহিত্য* (১৯৪৮), *পাঠ সমীক্ষা* আদি। সত্যেন্দ্ৰনাথ শৰ্মায়ো সাহিত্যৰ বুৰঞ্জীৰ লগতে *অসমীয়া নাট্য সাহিত্য* (১৯৬২), *অসমীয়া উপন্যাসৰ ভূমিকা* (১৯৫৫), *অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ* (১৯৭০) এই সময়ছোৱাতে প্ৰকাশ কৰে।

এই সময়ছোৱাত ৰচিত আন কেইখনমান উল্লেখযোগ্য সমালোচনামূলক পুথিৰ নাম হ'ল— অতুলচন্দ্ৰ বৰুৱাৰ *অসমীয়া কাব্যত প্ৰেমৰ বোৱাঁতী সুঁতি* (১৯৭০), *সমালোচনা-সাহিত্য* (১৯৫৮), *সাহিত্যৰ ৰূপৰেখা* (১৯৪৭); বাপচন্দ্ৰ মহন্তৰ *জীৱন আৰু সাহিত্য* (১৯৬৪), *ভাৰতীয় ধৰ্ম সাধনা* (১৯৬৭), *নামঘোষাৰ তত্ত্ব দৰ্শন* (১৯৭৮); উমাকান্ত শৰ্মাৰ *কাব্যভূমি* (১৯৪৮); যোগীৰাজ বসুৰ *বেদৰ পৰিচয়* (১৯৭০); প্ৰফুল্ল দত্ত গোস্বামীৰ *সাহিত্য আৰু জীৱন* (১৯৫৬), *অসমীয়া জন-সাহিত্য* (১৯৪৮); বিৰিঞ্চি কুমাৰ বৰুৱাৰ *অসমীয়া কথা সাহিত্য* (১৯৫০); উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ *অসমীয়া ৰামায়ণী*

সাহিত্য (১৯৪৮); উপেন্দ্র নাথ গোস্বামীৰ *ভাষা আৰু সাহিত্য* (১৯৫৬); হেমন্ত কুমাৰ শর্মাৰ *অসমীয়া সাহিত্যত দৃষ্টিপাত* (১৯৬১); সত্যপ্রসাদ বৰুৱাৰ *নাটক আৰু অভিনয় প্রসঙ্গ* (১৯৬২); হৰিচন্দ্র ভট্টাচার্যৰ *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি* (১৯৬৮); ভুবনেশ্বৰী বৈশ্যৰ *বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্য* (১৯৬৪); নন্দ তালুকদাৰৰ *কবি আৰু কবিতা* (১৯৬৯); মহেন্দ্র বৰাৰ *অসমীয়া কবিতাৰ ছন্দ* (১৯৬২) আদি।

এওঁলোকৰ উপৰি মহেশ চন্দ্র দেৱ গোস্বামী, ৰজনীকান্ত দেৱশর্মা, মুকুন্দ মাধৱ শর্মা, প্রমোদ চন্দ্র ভট্টাচার্য, পৰাগ চলিহা, যতীন্দ্র নাথ গোস্বামী, বীৰেন বৰকটকী, পৰীক্ষিত হাজৰিকা, ৰামমল ঠাকুৰীয়া, শশী শর্মা, হৰিনাথ শর্মা দলৈ, প্রফুল্ল কটকী, ভৱপ্রসাদ চলিহা আদি ভালেসংখ্যক লেখকে তেওঁলোকৰ নিজৰ নিজৰ বিষয় তথা এলেকাত সমালোচনামূলক গ্রন্থ প্রণয়নেৰে দক্ষতাৰ পৰিচয় দিছে। এই প্রসঙ্গত মুকুন্দ মাধৱ শর্মাৰ *উপমা কালিদাসস্য*, বীৰেন বৰকটকীৰ *সাহিত্যৰ আভাস*, পৰীক্ষিত হাজৰিকাৰ *চর্যাপদ*, ৰামমল ঠাকুৰীয়াৰ *সাহিত্য বিচাৰ*, প্রফুল্ল কটকীৰ *ক্রমবিকাশত অসমীয়া কথাশৈলী* আদি গ্রন্থৰ নাম ল'ব পাৰি।

উপেন্দ্র নাথ শর্মা, নলিনীধৰ ভট্টাচার্য আৰু জ্ঞানানন্দ শর্মা পাঠকে অসমীয়া কবিতা সম্পর্কে কেইবাখনো মূল্যৱান সমালোচনাত্মক পুথিৰ সংযোজন আগবঢ়াইছে। একেদৰে ইমদাদ উল্লাহৰ *কবিতাৰ সবিশেষ* লেখত ল'বলগীয়া সমালোচনামূলক গ্রন্থ।

আমাৰ আলোচ্য সময়ছোৱাতে হীৰেন গোহাঁই আৰু ভৱেন বৰুৱাই ইংগ-মার্কিন নতুন সমালোচনাৰ আদর্শ আগত ৰাখি সাহিত্যৰ বিচাৰত অৱতীর্ণ হয়। সূক্ষ্ম অনুসন্ধান, মননশীলতা আৰু আধুনিক বিশ্লেষণৰ ক্ষেত্রত দুয়োগৰাকীয়ে কৃতিত্বৰ পৰিচয় দিছে। হীৰেন গোহাঁইৰ আদর্শ সমাজতাত্ত্বিক। শৈলেন ভৰালীৰ ভাষাৰে ক'ব পাৰি— মার্ক্সীয় দর্শনৰ প্রেৰণাৰে সমাজ বাস্তৱতাৰ প্রতি সজাগ হৈ সাহিত্য কর্মৰ তাৎপর্য উপলব্ধি কৰাৰ চেষ্টা তেওঁৰ ৰচনাত আছে। কিন্তু মার্ক্সীয় দর্শনৰ প্রভাৱে তেওঁৰ প্রথম স্তৱৰ সমালোচনামূলক ৰচনাসমূহত সমালোচকৰ নিৰপেক্ষতা আৰু উদাৰতা অপহৰণ কৰা নাই। সাহিত্য কৃতিৰ লগত জীৱনৰ সম্পর্ক, লেখকৰ সামাজিক দায়িত্ব আদি চিন্তাৰ আধাৰত গোহাঁইদেৰে সাহিত্যৰ বিচাৰ কৰিছে। এই সময়ছোৱাত তেওঁ ৰচনা কৰা *সাহিত্যৰ সত্য* (১৯৭০) এখন উল্লেখনীয় সমালোচনা-কৃতি। সমালোচক ভৱেন বৰুৱাই কবিতাৰ দেহ, ভাষা আদিৰ পুংখানুপুংখ আলোচনাৰ জৰিয়তে আলংকাৰিক পদ্ধতিৰ প্রৱর্তন কৰি অসমীয়া সমালোচনা সাহিত্যলৈ নতুনত্ব আনিছে। ভৱেন বৰুৱাৰ সমালোচনাৰ স্থায়ী কৃতিত্ব হ'ল— বিৰিঞ্চি কুমাৰ বৰুৱাৰ *জীৱনৰ বাটত* উপন্যাস সম্পর্কে ইংৰাজীত লিখা সমালোচনা আৰু হোমেন বৰগোহাঞিৰ *সুবালা* সম্পর্কে নৱ মূল্যায়নৰ প্রচেষ্টা। হীৰেন্দ্রনাথ দত্তৰ মতে হীৰেন গোহাঁই আৰু ভৱেন বৰুৱাৰ লেখাবোৰৰ বিশেষত্ব হ'ল— "গৱেষণামূলক পদ্ধতিৰ পৰা সংগৃহীত গুণ তথা প্রণালীবদ্ধতা, শৃংখলাবোধ, পৰিমিতিবোধ, বিষয়বস্তুৰ গভীৰলৈকে যোৱাৰ চেষ্টা— এইবোৰ গুণৰ উপৰিও গদ্যৰ

ভাষা সঠিক আৰু পূৰ্ণ প্ৰকাশমান কৰি তুলিবৰ বাবে সদা সচেষ্ট উদ্যম।”

এই দুগৰাকীৰ উপৰি আৰু এগৰাকী সমালোচকে গভীৰ অধ্যয়নশীলতা আৰু স্বকীয় দৃষ্টিভঙ্গীৰ পৰিচয় বহন কৰে— তেওঁ হ'ল হোমেন বৰগোহাঞি। *বিশ্বাস আৰু সংশয়* (১৯৬৮), *ধূসৰ দিগন্ত* (১৯৭০) আমাৰ আলোচ্য কালছোৱাত ৰচিত তেওঁৰ উল্লেখযোগ্য সমালোচনাৰ চানেকি। তদুপৰি হোমেন বৰগোহাঞিৰ দ্বাৰা সম্পাদিত *অসমীয়া গল্প সংকলনৰ* পাতনিখনি অসমীয়া সমালোচনা সাহিত্যৰ এক উজ্জ্বল চানেকি। আনহাতে, 'অৱস্থিতিবাদ' দৰ্শন আৰু সাহিত্যত ইয়াৰ প্ৰয়োগ সম্পৰ্কেও বৰগোহাঞিয়ে সমালোচনা আগবঢ়াই সচেতন পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

ৰামধেনু যুগৰ সাহিত্য সমালোচনা সম্পৰ্কে আলোচনা কৰিলে দেখা যায় যে ১৯৪০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত এই দিশটোৱে যথেষ্টখিনি সমৃদ্ধি লাভ কৰিছে; লগতে আধুনিক সমালোচনাৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰি অসমীয়া সাহিত্যত প্ৰয়োগ কৰাৰ প্ৰচেষ্টাও ষষ্ঠ-সপ্তম দশকৰ পৰা আৰম্ভ হ'বলৈ ধৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) বিৰিঞ্চি কুমাৰ বৰুৱাৰ *চুইজাৰলেণ্ড ভ্ৰমণ* এখন উল্লেখযোগ্য ভ্ৰমণ কাহিনী।

(খ) *পঞ্চপুষ্প* মনোৰঞ্জন শাস্ত্ৰীয়ে ৰচনা কৰিছিল।

(গ) মহেশ্বৰ নেওগৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* প্ৰথম প্ৰকাশ হয় ১৯৬২ চনত।

.....



১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিংশ শতিকাৰ চতুৰ্থ দশকৰ প্ৰথম কেইবছৰ অসমীয়া নাটকৰ ক্ষেত্ৰখনত বৰ বিশেষ পৰিৱৰ্তন হোৱা নাছিল যদিও জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত অসমীয়া নাটকে এক বিশেষ মাত্ৰা লাভ কৰিলে। বিশেষকৈ বাস্তৱবাদী চিন্তাচৰ্চাৰে, অপূৰ্ব গীতিময়তাৰে অসমীয়া সামাজিক নাটকৰ ক্ষেত্ৰখনলৈ তেওঁ নতুন ধল সুমুৱাই আনিলে। তাৰ পাছৰে পৰা অসমীয়া নাট্য সাহিত্যই কেনে গতি লাভ কৰিলে সেয়া অৱগত হ'ল।
- স্বৰাজোত্তৰ কালত অসমীয়া চুটিগল্পই অধিক সমৃদ্ধিশালী ৰূপত আত্মপ্ৰকাশ কৰে। ১৯৫১ চনৰ পৰা প্ৰকাশ পোৱা *ৰামধেনু* আলোচনীখনে এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয়

ভূমিকা গ্ৰহণ কৰিছিল। প্ৰগতিশীল *জয়ন্তী* কাকতৰ বুকুতেই এই পৰিক্ৰমাৰ আৰম্ভ হৈছিল যদিও *ৰামধেনু* আলোচনীৰ পাততহে ই অধিক জনপ্ৰিয় তথা বিস্তাৰিত হৈ উঠে।

- এই সময়ছোৱাত প্ৰবন্ধ, সাহিত্যৰ বুৰঞ্জীকে আদি কৰি বিভিন্ন সাহিত্যই কেনে ৰূপ লাভ কৰিলে সেই বিষয়ে অৱগত হোৱাৰ লগতে প্ৰধান প্ৰধান সাহিত্যিকসকলৰ সাহিত্যকৃতি সম্পৰ্কে চমুকৈ আলোচনা দাঙি ধৰা হ'ল।



১৫.৫ অধিক জানিবলৈ

১) *কটকী, চন্দ্ৰ* (২০০৪); *আধুনিক অসমীয়া কবিতা;* গুৱাহাটী।

২) ঠাকুৰ, নগেন (সম্পাঃ) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) তালুকদাৰ, নন্দ (২০০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) বৰগোহাঞি, হোমেন (সম্পাঃ) (১৯৯৮); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম।

৬) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৭) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

৮) বৰুৱা, হেম; *আধুনিক সাহিত্য;* গুৱাহাটী।

৯) ভট্টাচাৰ্য, হৰিচন্দ্ৰ (১৯৭০); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ সেৱা কুটীৰ।

১০) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১১) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১২) ভৰালী, শৈলেন (১৯৭৮); *আধুনিক অসমীয়া সাহিত্য (দুটি তৰংগ)*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

১৩) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

১৪) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ গতিধাৰা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৫) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৬) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৭) শৰ্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।



১৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্বাধীনতাৰ পূর্বৰ সকলো বাধা-নিষেধ আঁতৰ কৰি দিয়াত নাট্যকাৰসকলে ঐতিহাসিক চৰিত্রসমূহক অধিক স্পষ্ট আৰু বলিষ্ঠ ৰূপত দাঙি ধৰাৰ সুবিধা পালে। অতুলচন্দ্র হাজৰিকাৰ *ছত্রপতি শিবাজী* (১৯৪৭), প্রবীণ ফুকনৰ *মণিৰাম দেৱান* (১৯৪৮) আৰু *লাচিত বৰফুকন* (১৯৪৯), সুৰেন্দ্রনাথ শইকীয়াৰ *কুশল কোঁৰৰ* (১৯৪৯), প্রফুল্ল বৰাৰ *পিয়লি ফুকন* (১৯৪৮), আব্দুল মালিকৰ *ৰাজদ্রোহী* (১৯৫৬), ফণী শর্মাৰ *ভোগজৰা* (১৯৫৭), সত্যপ্রসাদ বৰুৱাৰ *জ্যোতিৰেখা* (১৯৫৮), হেম শর্মাৰ *কাঞ্চনমালা* (১৯৫৭), উত্তম বৰুৱাৰ *বৰ মানুহৰ দোলা* (১৯৬১), *জেৰেঙাৰ সতী* (১৯৬২) আৰু *বৰৰজা ফুলেশ্বৰী* (১৯৭১); যুগল দাসৰ *১৮৫৭* (১৯৬২) আদি এই সময়ৰ উল্লেখযোগ্য ঐতিহাসিক নাটক।

২ নং প্রশ্নৰ উত্তৰ ঃ *আহাৰ,* ৰচনা কৰিছিল অৰুণ শর্মাই।

৩ নং প্রশ্নৰ উত্তৰ ঃ *মৰহা পাপৰি* আৰু *মৰম মৰম লাগে।*

৪ নং প্রশ্নৰ উত্তৰ ঃ অশান্ত ইলেক্ট্রন।

৫ নং প্রশ্নৰ উত্তৰ ঃ অস্তিত্ববাদী।

৬ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ



১৫. ৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) একাংকিকা নাটক ৰচনাৰ পৰম্পৰা কেতিয়া আৰম্ভ হয়?

খ) ৰামধেনু যুগত ৰচিত চাৰিখন প্রবন্ধ পুথিৰ নাম লিখক।

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

ক) হোমেন বৰগোহাঞিৰ এটি উল্লেখযোগ্য গল্প হ'ল 'ইস্মাইল শেখৰ সন্ধানত'।

খ) ভুবন মোহন দাসে লিখা নৃতত্ত্ব বিষয়ক পুথি এখন হ'ল *মানৱৰ আদিকথা* ।

গ) ৰামমল ঠাকুৰীয়াই *সাহিত্য বিচাৰ* নামৰ গল্পপুথিখন ৰচনা কৰিছিল।

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰামধেনু যুগৰ পৌৰাণিক নাটক সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

(ক) ৰামধেনু যুগৰ চুটি গল্প (খ) গল্পকাৰ চৈয়দ আব্দুল মালিক

(গ) ৰামধেনু যুগৰ ব্যঙ্গ সাহিত্য

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰামধেনু যুগৰ চুটিগল্পত বিভিন্ন 'বাদ'সমূহে কেনেদৰে প্ৰভাৱিত কৰিছিল কেইজনমান গল্পকাৰৰ গল্পৰ আধাৰত বুজাই লিখক।

প্ৰশ্ন ২ ঃ ৰামধেনু যুগৰ অসমীয়া নাটকৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ৩ ঃ ৰামধেনু যুগৰ অন্যান্য সাহিত্য সম্পৰ্কে এটি আলচ যুগুত কৰক।

*** ***** ***



প্রসঙ্গ পুথি

১) *কটকী, চন্দ্র* (২০০৪); *আধুনিক অসমীয়া কবিতা;* গুৱাহাটী।

২) গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য;* গুৱাহাটী ঃ বনলতা।

৩) গোস্বামী, যতীন্দ্রনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৪) গোস্বামী, হেমচন্দ্র (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৫) ঠাকুৰ, নগেন (সম্পাঃ) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৬) তালুকদাৰ, নন্দ (২০০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৭) নেওগ, ডিম্বেশ্বৰ (১৯৯৬); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী ঃ শুৱনি প্রকাশন।

৮) নেওগ, মহেশ্বৰ (১৯৮৭); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৮৬); *গুৰু-চৰিত-কথা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১০) নেওগ, মহেশ্বৰ (সংকঃ আৰু সম্পাঃ) (১৯৮৩); *অৰুনোদই ১৮৪৬-১৮৫৪;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১১) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙনি;* গুৱাহাটী ঃ বনলতা।

১২) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১৩) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০১২); *অসমীয়া সাহিত্যৰ বুৰঞ্জী(ষষ্ঠ খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১৪) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

১৫) বৰুৱা, প্রহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

১৬) বৰা, মহেন্দ্র (১৯৭৬); *ৰমন্যাসবাদ;* গুৱাহাটী ঃ বাণী প্রকাশ।

১৭) বেজবৰুৱা, দেবেন্দ্রনাথ (১৮৫৫ শক); *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী;* দেবেন্দ্রনাথ বেজবৰুৱা।

১৮) ভট্টাচার্য, হৰিচন্দ্র (১৯৭০); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি;* গুৱাহাটী ঃ সেৱা কুটীৰ।

১৯) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২০) ভৰালী, শৈলেন (১৯৭৮); *আধুনিক অসমীয়া সাহিত্য (দুটি তৰংগ)*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

২১) ভৰালী, শৈলেন (১৯৯০); *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

২২) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২৩) ভূঞা, সূৰ্যকুমাৰ (সম্পাঃ)(১৯৮৮); *অসম বুৰঞ্জী*; গুৱাহাটী ঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগ।

২৪) ভূঞা, সূৰ্যকুমাৰ (সম্পাঃ)(১৯৬৪); *সাতসৰী অসম বুৰঞ্জী*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

২৫) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

২৬) শৰ্মা, নবীন (সম্পাঃ) (১৯৯৫); *শিৱ-পুৰাণ;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

২৭) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ গতিধাৰা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

২৮) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

২৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৫); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৩০) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৩১) শৰ্মা, হেমন্ত কুমাৰ (১৯৯৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩২) শৰ্ম্মা দলৈ, শ্ৰীহৰিনাথ (২০০৪); *অসমীয়া গদ্য সাহিত্যৰ গতি পথ*; গুৱাহাটী ঃ পদ্মাপ্ৰিয়া লাইব্ৰেৰী।

৩৩) শইকীয়া, নগেন (সম্পাঃ) (২০০১); *জোনাকী একত্ৰ সংকলন*; যোৰহাট ঃ অসম সাহিত্য সভা।

৩৪) হাজৰিকা, পৰীক্ষিত (সম্পাঃ) (১৯৯৫); *শ্ৰীশ্ৰীচণ্ডী;* গুৱাহাটী ঃ ডালিমী প্ৰকাশন।

৩৫) হাজৰিকা, বিশ্বেশ্বৰ (অনুবাদ, ২০০২); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ* (Banikanta Kakati: Assamese It's Formation and Development); গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩৬) হাজৰিকা, বিশ্বেশ্বৰ (সম্পাঃ) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।